# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-12-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে সু-শাসন দিৱস পালন কৰা হৈছে। অসমতো ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ৰাজনীতিবিদগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত সু-শাসন দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ আদাবাৰীত থকা অটল উদ্যানত অটল স্মৃতি মূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে বাজপেয়ীৰ জীৱন, কৰ্ম তথা দেশৰ প্ৰতি তেওঁৰ অৱদান আধাৰিত এখন প্ৰদৰ্শনী মুকলি কৰে। ডং শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বেলতলাৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত সু-শাসন দিৱসৰ আন এটা কাৰ্যসূচীত ভাগ লয়।

বাক্সা জিলাৰ শান্তি বজাৰত বিজেপিৰ শালবাৰী মণ্ডলৰ উদ্যোগত আয়োজন কৰা সু-শাসন দিৱসৰ কাৰ্যসূচীত ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰে অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে এটা পদযাত্ৰাও উলিওৱা হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰীৰ জিলা বিজেপিৰ কাৰ্যালয়ত সু-শাসন দিৱস উপলক্ষে অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু কৰ্মৰাজী সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়।

ooooo

মণিপুৰ, মিজোৰাম, ওড়িশা, বিহাৰ আৰু কেৰালাত নতুন ৰাজ্যপাল নিযুক্তি দিয়া হৈছে। কালি ৰাষ্ট্ৰপতি ভৱনৰ পৰা জাৰি কৰা অধিসূচনা কৰা অনুসৰি অজয় কুমাৰ ভাল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে আৰু প্ৰাক্তন স্থলাসেনাধ্যক্ষ তথা কেন্দ্ৰীয় মন্ত্ৰী অৱসৰপ্ৰাপ্ত জেনেৰেল ভি কে সিঙক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। মিজোৰামৰ বৰ্তমানৰ ৰাজ্যপাল ডং হৰিবাবু কাম্ভমপতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

উল্লেখযোগ্য যে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অসম-মেঘালয় কেডাৰৰ বিষয়া হিচাপে কৰ্মজীৱন আৰম্ভ কৰা অজয় কুমাৰ ভাল্লাই আৰু অসম চৰকাৰৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি ৰাজ্যৰ গৃহ সচিব হিচাপেও দায়িত্ব নিৰ্বাহ কৰিছিল। ইয়াৰ পাছত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ডেপুটেশ্বন লাভ কৰে আৰু এই বছৰ আগষ্টত তেওঁ কেন্দ্ৰীয় গৃহ সচিবৰূপে অৱসৰ গ্ৰহণ কৰে।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে দুজন জেহাদীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী জব্দ কৰি কুটাঘাতৰ এটা ষড়যন্ত্ৰ ব্যৰ্থ কৰিছে। অসম আৰক্ষীৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰা অনুসৰি বিশেষ কাৰ্যবাহিনীয়ে যোৱা নিশা কোকৰাঝাৰ জিলাৰ পৰা দুজন জেহাদীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোক দুজনক আব্দুল জাহিৰ শ্বেইখ আৰু ছবিৰ মিৰ্ধা বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এজন জেহাদীৰ স্বীকাৰোক্তিৰ ভিত্তিত চাৰিটা হস্তনিৰ্মিত ৰাইফল, ৩৪ জাঁই গুলী, ২৪টা খালী কাৰ্টিজ, গ্ৰেণেড আৰু বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত বিশেষ কাৰ্যবাহিনীয়ে প্ৰঘাট অভিযানৰ অধীনত এতিয়ালৈকে ৰাজ্যখনত ১০ জন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিছে।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি খ্ৰীষ্টধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ বৰদিন ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে উদযাপন কৰা হৈছে। এই উপলক্ষে গীৰ্জাঘৰসমূহ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠিছে। গুৱাহাটীৰ পাণবজাৰত থকা খ্ৰীষ্ট চাৰ্চ, ব্যাপ্তিষ্ট চাৰ্চ, কাহিলীপাৰা, চানমাৰি, খানাপাৰা আদি স্থানত থকা গীৰ্জাঘৰসমূহত আজি দুপৰীয়া আৰু সন্ধিয়া বৰদিনৰ সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হৈছে। নিশালৈ ঠায়ে ঠায়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ বিভিন্ন স্থানত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ব্যাপক উৎসাহ-উদ্দীপনাৰে বৰদিন পালন কৰিছে। এই উপলক্ষে কালিৰেপৰা গীৰ্জাসমূহৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙৰ আলোকসজ্জাৰে সজ্জিত কৰি তুলিছে। জিলাখনৰ কোনো কোনো ঠাইত ধৰ্মীয় কাৰ্যসূচীৰ লগতে সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৰদিন উপলক্ষে ভোজ ভাতৰ আয়োজন কৰাৰ লগতে মিঠাই, পিঠা-পনা আদি বিতৰণ কৰা হৈছে।

চিৰাং জিলাৰ শতবৰ্ষ গৰকা বামুণগাঁও গীৰ্জাত বড়ো খ্ৰীষ্টধৰ্মী লোকসকলে বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰে।  কোকৰাঝাৰ চহৰতো গীৰ্জাঘৰসমূহ আটকধুনীয়াকৈ সজাই পৰাই তোলা হৈছে। ৰাজ্যৰ অন্যতম পুৰণি গীৰ্জাঘৰ শিৱসাগৰৰ কেন্দ্ৰীয় ব্যাপ্তিষ্ট মণ্ডলীত বৰদিনৰ লগত সংগতি ৰাখি আজি বিশেষ উপাসনাৰ আয়োজন কৰা হয়।

বৰদিন উপলক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যৰ শতাধিক গীৰ্জাত সমাজৰ শান্তি আৰু সমৃদ্ধিৰ কামনাৰে প্ৰাৰ্থনা কৰা হৈছে। কোহিমা, আইজল, তুৰা আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ গীৰ্জা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, বাসগৃহ, দোকান-পোহাৰ, উদ্যান আৰু বাট-পথসমূহ ৰং-বিৰঙী আলোকসজ্জা আৰু বিভিন্ন ফুলেৰে সুশোভিত কৰি তোলা হৈছে। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰ বৰ্তমান বৰদিনৰ আনন্দ-উল্লাসত বিভোৰ হৈ পৰা দেখা গৈছে। শ্বিলঙৰ বৰদিন উপভোগৰ বাবে দেশ-বিদেশৰ বহু পৰ্যটকৰো আগমন ঘটিছে। বৰদিনৰ আনন্দোৎসৱত ভাগ লোৱাৰ বাবে নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ত কেইবাদিনজোৰা বন্ধ ঘোষণা কৰা হৈছে। বিভিন্ন ঠাইত কাইলৈ পাৰম্পৰিক সমূহীয়া ভোজৰ আয়োজন কৰা হৈছে। ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমত অন্যান্য ধৰ্মীয় লোকসকলেও উছাহ-উদ্দীপনাৰে বৰদিন পালন কৰে।

আনহাতে মণিপুৰৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে ৰাজ্যখনৰ উপত্যকা আৰু পাৰ্বত্য অঞ্চলসমূহত বৰদিনৰ আনন্দ-উল্লাস কিছু ম্লান পৰা পৰিলক্ষিত হৈছে।

ooooo

ৰাজ্যসভাৰ সাংসদ ভূবনেশ্বৰ কলিতাই আজি বৰপেটাৰ সাংস্কৃতিক সামাজিক অনুষ্ঠান ৰংঘৰৰ উদ্যোগত নিৰ্মিত এখন স্থায়ী  নাট্য মঞ্চ আৰু প্ৰেক্ষাগৃহ মুকলি কৰে। ৰাজ্য চৰকাৰৰ অপৰিকল্পিত পুজিৰ অধীনত ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত দুশ দৰ্শকে একেলগে নাট উপভোগ কৰাৰ সুবিধা আছে। প্ৰেক্ষাগৃহটো মুকলি কৰি শ্ৰী কলিতাই কয়, যে এই নাট্য মঞ্চই বৰপেটাৰ নাট্য ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ লগতে নতুন প্ৰজন্মক কলা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিব।

০০০০০

মহানগৰ আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অব্যহত ৰখা অভিযানৰ অংশ হিচাপে খানাপাৰাত মণিপুৰৰ পৰা অহা দুখন ট্ৰাকৰ পৰা ১০ পেকেট মাদক দ্ৰব্য উদ্ধাৰ কৰিছে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য আন্তঃৰাষ্ট্ৰীয় বজাৰত কেইবা কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। সৰবৰাহকাৰী দুজনক ৰাজকুমাৰ আৰু সনজিৎ কামাড বুলি চিনাক্ত কৰা হৈছে।

০০০০০

গুৱাহাটীৰ লতাকটাৰ জ্ঞানপীঠ জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি অহা ১১ জানুৱাৰীত বিদ্যালয় প্ৰাঙ্গনত ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মিলন সমাৰোহৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবৰ বাবে উদ্যোক্তাসকলে বিদ্যালয়খনৰ ন-পুৰণি শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলক জ্ঞানপীঠ জাতীয় বিদ্যালয়ৰ সতীৰ্থ সন্মিলনৰ উদযাপন সমিতিৰ আহ্বায়ক তথা বিদ্যালয়ৰ সহ-শিক্ষক, শিক্ষয়িত্ৰী নৱনীতা বাঠক, পল্লৱী বৰ্মন আৰু কমল কলিতাৰ সৈতে যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

০০০০০

সমাপ্ত